# প্ৰেছ বিজ্ঞপ্তি
## (২৬ জুন, ২০১৯)

নাগৰিকত্ব বিধি (নাগৰিকৰ পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) বিধি, ২০০৩ ৰ পৰিশিষ্টৰ ৫ নং দফাৰ বিধান অনুসাৰে ১,০২,৪৬২ জন ব্যক্তিৰ নাম সন্নিৱিষ্ট খচৰা বাদ পৰা তালিকা এখন আজি প্ৰকাশ কৰা হৈছে।

এই অতিৰিক্ত খচৰা বাদ পৰা তালিকাত সন্নিবিষ্ট হোৱা ব্যক্তি সকল ৩০/০৭/২০১৮ তাৰিখে প্ৰকাশিত সম্পূৰ্ণ খচৰা এন আৰ চি'ত অন্তৰ্ভুক্ত হোৱা ব্যক্তি কিন্তু পিছত তলত উল্লেখ কৰা কাৰণ বশত: অন্তৰ্ভুক্তিৰ বাবে অযোগ্য বিবেচিত হৈছে।

(১) "ডি এফ" (Declared Foreigner-ঘোষিত বিদেশী) বা "ডি ভি" ('D' Voter) বা "পি এফ টি" (PFT-Persons with cases pending at Foreigners Tribunal- বিদেশী ন্যায়াধীকৰণত গোচৰ বিচাৰাধীন হৈ থকা ব্যক্তি) বা তেওঁলোকৰ সতি সন্ততি হিচাপে, প্ৰযোজ্য অনুসাৰে, খচৰা এন আৰ চি প্ৰকাশৰ পিছত চিনাক্ত হৈ অন্তৰ্ভুক্তিৰ অযোগ্যৰূপে পৰিগণিত হোৱা ব্যক্তি।

(২) দাবী (Claims) আৰু আপত্তি (Objection) ৰ নিষ্পত্তিৰ বাবে অনুষ্ঠিত শুনানীত সাক্ষী হিচাপে উপস্থিত হোৱাৰ সময়ত অযোগ্যৰূপে পৰিগণিত হোৱা ব্যক্তি।

(৩) ৩০/০৭/২০১৮ তাৰিখে সম্পূৰ্ণ খচৰা এন আৰ চি প্ৰকাশৰ পিছত নাগৰিকত্ব বিধিৰ পৰিশিষ্টৰ ৪(৩) দফাৰ অধীনত নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়কে কাৰ্য্যকৰী কৰা পৰীক্ষণমৰ্মে অন্তৰ্ভুক্তিৰ বাবে অযোগ্য পৰিগণিত হোৱা ব্যক্তি।

১৫/০২/২০১৯ ৰ পৰা ২৬/০৬/২০১৯ তাৰিখ পৰ্য্যন্ত দাবী আৰু আপত্তি নিষ্পত্তিৰ বাবে অনুষ্ঠিত শুনানীত উপস্থিত থকা দাবীদাৰ সকলৰ আৰু যাৰ বিৰুদ্ধে আপত্তি দাখিল কৰা হৈছে সেই সকলৰ শুনানীৰ ফলাফল এই অতিৰিক্ত তালিকাত নাথাকে। সেই শুনানী বোৰৰ ফলাফল ৩১/০৭/২০১৯ তাৰিখে প্ৰকাশ পাবলগীয়া চুড়ান্ত এন আৰ চি'ত প্ৰকাশ পাব।

অতিৰিক্ত খচৰা বাদ পৰা তালিকাৰ ছপা কৰা প্ৰতিলিপি (Hard Copy) জনসাধাৰণে চোৱাৰ বাবে এন আৰ চি সেৱা কেন্দ্ৰ, উপায়ুক্ত/মহকুমাধিপতি(অসামৰিক)/চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত ২৬/০৬/২০১৯ তাৰিখে পুৱা ১০ বজাৰ পৰা কাৰ্য্যালয় চলি থকা সময়ত উপলব্ধ হ'ব। ২৬/০৬/২০১৯ তাৰিখৰ পুৱা ১০ বজাৰ পৰা অতিৰিক্ত খচৰা বাদ পৰা তালিকাৰ তথ্য এন আৰ চি ওৱেবচাইট www.nrcassam.nic.in ত অনলাইন উপলব্ধ হ'ব।

বাদ পৰা ব্যক্তি সকলক বাদ পৰাৰ কাৰণ উল্লেখ কৰি জাননীপত্ৰ (Letter of Information) তেওঁলোকৰ বাসস্থানৰ ঠিকনাত দি ব্যক্তিগত ভাৱে অৱগত কৰা হ'ব। এনে ব্যক্তিয়ে তেওঁলোকৰ দাবী দাখিল কৰাৰ সুযোগ পাব আৰু এনেবোৰ দাবী নিষ্পত্তিকাৰী বিষয়াৰ দ্বাৰা শুনানীৰ জৰিয়তে নিষ্পত্তি কৰা হ'ব। দাবী দাখিল কৰা আৰু দাবী নিষ্পত্তি কৰাৰ কাম একেলগে হ'ব। জাননীপত্ৰ (Letter of Information) ত দাবী দাখিল কৰা তথা শুনানী গ্ৰহণ কৰা কেন্দ্ৰৰ বিষয়ে সবিশেষ উল্লেখ থাকিব। ৫ জুলাই ২০১৯ তাৰিখৰ পৰা শুনানী আৰম্ভ হ'ব। ২৯/০৬/২০১৯ ৰ পৰা এন আৰ চি ওৱেবচাইট www.nrcassam.nic.in ত শুনানী সম্পৰ্কীয় সময়সূচী অনলাইন উপলব্ধ হ'ব। তাৰ পিছত এইধৰণৰ সকলোবোৰ দাবী নিষ্পত্তি কৰা হ'ব আৰু এই ব্যক্তি সকলে দাখিল কৰা দাবীৰ ফলাফল ৩১/০৭/২০১৯ তাৰিখে প্ৰকাশ হ'বলগীয়া চুড়ান্ত এন আৰ চি যোগে ঘোষিত হ'ব।

ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম